समग्र शिक्षा
Samagra Shiksha
সমগ্ৰ শিক্ষা

Under CSR Support by
ipca | Foundation



দশম শ্ৰেণীৰ বাবে

ৰাজনীতি আৰু অৰ্থনীতি বিজ্ঞান

অৰ্থনীতি বিজ্ঞান

পাঠ - ১

মুদ্ৰা আৰু বেংক ব্যৱস্থা

অংশ – ২

ৰিণা ফুকন

समग्र शिक्षा
Samagra Shiksha
সমগ্ৰ শিক্ষা

Under CSR Support by
ipca | Foundation



মুদ্রা কি?

ইংৰাজ অৰ্থনীতিবিদ জিয়াফ্ৰী ক্ৰাউথাবৰ মতে বিনিময়েৰ মাধ্যম হিচাপে সাধাৰণ গ্ৰহণযোগ্যতা থকা আৰু লগতে সামগ্ৰীৰ মূল্যৰ মাপকাঠি আৰু মূল্যাব ভাণ্ডাৰ হিচাপে কাৰ্য সম্পাদন কৰা যিকোনো সামগ্ৰীয়েই হ'ল মুদ্রা।


মুদ্রাৰ বৈশিষ্ট্যসমূহ

১। মুদ্রাৰ সাধাৰণ গ্ৰহণযোগ্যতা থাকিব লাগিব

- ই বিনিময়ৰ মাধ্যম হিচাপে গ্ৰহণযোগ্য হ'ব লাগিব।
- এইটোৱেই হৈছে মুদ্রাৰ আটাইতকৈ গুৰুত্বপূৰ্ণ বৈশিষ্ট্য।

২। মুদ্রাৰ চিনাক্তকৰণ সহজ হ'ব লাগিব।

- মুদ্রা চিনাক্ত কৰাত একেবাৰেই অসুবিধা হ'ব নালাগে।
- যদি মুদ্রা সহজে চিনাক্ত কৰিব নোৱাৰি তেন্তে লেনদেন স্বাভাৱিকতে সমস্যাজনক হ'ব।



समग्र शिक्षा
Samagra Shiksha
সমগ্ৰ শিক্ষা

Under CSR Support by
ipca | Foundation

৩। মুদ্রা সহজেই নষ্ট হৈ যোৱা সামগ্রী হ'ব নোৱাৰে।

- যদি মুদ্রা নষ্ট হ'ব পাৰে তেন্তে মুদ্রা জমা কৰিব নোৱাৰি।
- তেনে ক্ষেত্রত মূল্যৰ কোনো ভঁৰাল নাথাকিব।
- সঞ্চয় কৰাটো অসম্ভৱ হ'ব।

समग्र शिक्षा
Samagra Shiksha
সমগ্ৰ শিক্ষা

Under CSR Support by
ipca | Foundation

৪। মুদ্রা সমজাতীয় বা পূর্ণ সাদৃশ্যযুক্ত হ'ব লাগিব।

- অর্থাৎ সমমূল্যৰ মুদ্রা সকলো দিশতে একে হ'ব লাগিব।
- যদি ১০০ টকীয়া লোটৰ আকাৰ ডাক টিকটটোৰ একেবাৰে সৰু আৰু যদি আন এখন ১০০ টকীয়া নোট বাতৰি-কাকতৰ সমান বৃহৎ আকাৰৰ হয় তেনেহলে সামগ্ৰীৰ লেনদেনত অসুবিধা হয়।
- গতিকে দহ টকীয়া নোট সকলো দিশতে একেবাৰে একে হ'ব লাগিব।

समग्र शिक्षा
Samagra Shiksha
সমগ্ৰ শিক্ষা

Under CSR Support by
ipca | Foundation

৫। মুদ্রাৰ তাৰল্য (liquidity) গুণ থাকিব লাগিব।

- মুদ্রাৰ তাৰল্যতা মানে মুদ্রাৰ প্রত্যক্ষ আৰু তাৎক্ষণিকভাৱে মুদ্রাক সামগ্রী আৰু সেৱালৈ ৰূপান্তৰিত কৰা।
- আচলতে অন্যান্য সম্পত্তিৰ তুলনাত মুদ্রাৰ ক্ষেত্রত তাৰল্যতাৰ মাত্রা সর্বাধিক।
- মাটি, সোণ, ৰূপ অন্যান্য সম্পত্তিৰ তাৰল্যতাও থাকে যদিও ইয়াৰ তাৰল্যতা মুদ্রাতকৈ কম কাৰণ এইবোৰ প্রত্যক্ষ আৰু তৎক্ষণাত সামগ্রী আৰু সেৱালৈ ৰূপান্তৰিত নহয়।

- উদাহৰণস্বৰূপে, এটা মাটিৰ টুকুৰা নিমিষতে সামগ্ৰী আৰু সেৱালৈ ৰূপান্তৰিত কৰিব নোৱাৰি।
- মাটিখিনি বিক্ৰী কৰি শেষ কৰিব লাগিব আৰু উপাৰ্জন কৰা মুদ্ৰাৰে সামগ্ৰী আৰু সেৱা ক্ৰয় কৰা হ'ব।
- সোণ, ৰূপ আৰু অন্যান্য সম্পত্তিৰ ক্ষেত্ৰতো একেই। সেয়েহে মুদ্ৰাৰ তাৰল্য গুণ অধিক

৬। মুদ্রা হস্তান্তৰযোগ্য হ'ব লাগিব।

- সময়ৰ লগে লগে ব্যৱসায় আৰু বাণিজ্যৰ পৰিমাণ বৃদ্ধি পাইছে।
- বজাৰৰ এলেকা বৃদ্ধি কৰা হৈছে।
- লেনদেন নিষ্পত্তি কৰাটো কঠিন হ'ব, যদিহে মুদ্রাৰ হস্তান্তৰযোগ্যতাৰ অভাৱ হয়।

समग्र शिक्षा
Samagra Shiksha
সমগ্ৰ শিক্ষা

Under CSR Support by
ipca | Foundation

- বেংক হিচাপ-নিকাচৰ সালসলনিৰ জৰিয়তে মুদ্রা পৰিশোধ কৰিব পাৰি।
- লেনদেন নিষ্পত্তি কৰিবলৈ ক্ৰেডিট কার্ড আৰু ডেবিট কার্ডৰ ব্যৱহাৰ ক্ৰমান্বয়ে বৃদ্ধি পাইছে।
- লেনদেন নিষ্পত্তি কৰিবলৈ মূল বেংকিং সুবিধা বা অনলাইন মাধ্যমেৰে মুদ্রাক হস্তান্তৰ কৰিব পাৰি।

समग्र शिक्षा
Samagra Shiksha
সমগ্ৰ শিক্ষা

Under CSR Support by
ipca | Foundation

৭। মুদ্রা বিভাজনীয়।

- অধিক মূল্যৰ মুদ্রা কম মূল্যৰ মুদ্রালৈ ৰূপান্তৰিত হ'ব পাৰে।
- অধিক বা নিম্ন সকলো মূল্যৰ লেনদেন নিষ্পত্তি কৰিবলৈ মুদ্রা আছে। পণ্য বিনিময় প্ৰথাত এনে বিভাজন ক্ষমতাৰ অভাৱ আছিল।
- মুদ্রাৰে ৫০ পইচা বা ৫০ কোটিৰ লেনদেন নিষ্পত্তি কৰিব পাৰি।

समग्र शिक्षा
Samagra Shiksha
সমগ্ৰ শিক্ষা

Under CSR Support by
ipca | Foundation


৮। মুদ্রাৰ মূল্যৰ স্থিৰতা থাকিব লাগিব।

- যদি মুদ্রাৰ মূল্য সকলো সময়তে কমি থাকে তেন্তে মুদ্রাই মূল্যৰ ভঁৰাল হিচাপে কাম কৰাত ব্যর্থ হ'ব।
- মন কৰিবলগীয়া যে মুদ্রাৰ বৈশিষ্ট্যবোৰ ইটো সিটো বিকল্প নহয়।
- মুদ্রাৰ সকলো বৈশিষ্ট্য একেলগে থাকিব লাগিব।

समग्र शिक्षा
Samagra Shiksha
সমগ্ৰ শিক্ষা

Under CSR Support by
ipca | Foundation

মুদ্রাৰ কার্যাৱলী



- A medium → মাধ্যম
- A measure → মাপকাঠি
- A standard → মানদণ্ড
- A store → ভঁৰাল/ভাণ্ডাৰ

समग्र शिक्षा
Samagra Shiksha
সমগ্ৰ শিক্ষা

Under CSR Support by
ipca | Foundation


১। মুদ্রা হৈছে বিনিময়ৰ মাধ্যম।

- বিনিময় ব্যৱস্থাত সামগ্ৰীসমূহ প্ৰত্যক্ষভাৱে সামগ্ৰীৰ বিপৰীতে বিনিময় কৰা হয়।
- মুদ্রা অৰ্থনীতিত পণ্যৰ বিনিময় পৰোক্ষভাৱে মুদ্রাৰ জৰিয়তে কৰা হয়।
- বিনিময় ব্যৱস্থাত এটা লেনদেনক মুদ্রা অৰ্থনীতিত দুটা লেনদেনত বিভক্ত কৰা হয়।

समग्र शिक्षा
Samagra Shiksha
সমগ্ৰ শিক্ষা

Under CSR Support by
ipca | Foundation

- চাউল উৎপাদন কৰা ব্যক্তিজনে চাউল বিক্ৰী কৰিব (প্ৰথম লেনদেন) আৰু এইদৰে উপাৰ্জন কৰা মুদ্ৰাৰে কাপোৰ কিনা হ'ব (দ্বিতীয় লেনদেন)।
- এইদৰে মুদ্ৰা বিনিময়ৰ মাধ্যম হৈ পৰে।



সমগ্র শিক্ষা
Samagra Shiksha
সমগ্র শিক্ষা

Under CSR Support by
ipca | Foundation

২। মুদ্রাই সা-সামগ্রীৰ মূল্যৰ মাপকাঠি হিচাপে কার্য সম্পাদন কৰে।

- সকলো অর্থনৈতিক সামগ্রীৰ দাম থাকে।
- মুদ্রাৰ হিচাপত প্রকাশ কৰা বিনিময়ৰ মূল্য হ'ল মূল্য।
- মুদ্রা হৈছে জোখৰ সাধাৰণ একক।
- সকলো আর্থিক সামগ্রী আৰু সেৱাৰ মূল্য কেৱল মুদ্রা ৰূপত প্রকাশ কৰা হয়।
- মুদ্রা ৰূপত প্রকাশ কৰা সামগ্রীৰ বিনিময় মূল্যই হল সামগ্রীটোৰ দাম।

समग्र शिक्षा
Samagra Shiksha
সমগ্ৰ শিক্ষা

Under CSR Support by
ipca | Foundation

৩। মুদ্রাই স্থগিত দেনা-পাওনাৰ মানদণ্ড হিচাপে কার্য সম্পাদন কৰে।

- কিছুমান সামগ্রী আৰু পৰিসম্পদ (assets) বেচা-কিনাৰ সময়ত দামটো লগে লগে পৰিশোধ কৰা নহয়।
- ঋণৰ ক্ষেত্রতো ঋণ লওঁতাই ঋণদাতাক ঋণ পৰিশোধ কৰোতে সময় লয়। এনেবোৰ ক্ষেত্রত ধন আদায় প্রক্রিয়াটো তৎকালীন নহয়, প্রক্রিয়াটো স্থগিত কৰি ৰখা হয়।
- সকলোবোৰ স্থগিত দেনা-পাওনাৰ হিচাপ মুদ্রাৰ ৰূপত প্রকাশ কৰা ।

समग्र शिक्षा
Samagra Shiksha
সমগ্ৰ শিক্ষা

Under CSR Support by
ipca | Foundation

৪। মুদ্রাই মূল্যৰ ভাণ্ডাৰ হিচাপে কার্য সম্পাদন কৰিব লাগে।

- মুদ্রা ব্যৱস্থাত মুদ্রা সঞ্চয় কৰি ৰাখিব পাৰি আৰু সঞ্চিত মুদ্রা প্রয়োজন অনুসৰি সামগ্রী ক্রয় কৰোতে ব্যৱহাৰ কৰিব পাৰি।
- মুদ্রাক সহজে প্রয়োজনীয় সামগ্রী আৰু সেৱালৈ ৰূপান্তৰিত কৰিব পাৰি।
- মুদ্রাক সামগ্রীৰ মূল্যৰ ভাণ্ডাৰ বুলি কব পাৰি।
- যেতিয়ালৈকে ইয়াৰ মূল্য দ্রুতগতিত হ্রাস নহয় তেতিয়ালৈকে মুদ্রা মূল্যৰ ভঁৰাল হৈয়েই থাকে।

समग्र शिक्षा
Samagra Shiksha
সমগ্ৰ শিক্ষা

Under CSR Support by
ipca | Foundation

- মুদ্রাৰ প্ৰথম দুটা কাৰ্য্যক মুদ্রাৰ প্ৰাথমিক কাৰ্য্য আৰু শেষৰ দুটাক মুদ্রাৰ গৌণ কাৰ্য্য হিচাপে জনা যায়।
  - এই চাৰিটা কাৰ্য্যৰ উপৰিও মুদ্রাৰ কিছুমান কেতবোৰ উপ কাৰ্য্যও আছে।
  - উদাহৰণস্বৰূপে ধনী আৰু দুখীয়া শ্ৰেণীৰ মাজত থকা অৰ্থনৈতিক বৈষম্য মুদ্রাৰ সহায়ত হ্ৰাস কৰিব পাৰি চহকী শ্ৰেণীৰপৰা অধিক কৰ-কাতল সংগ্ৰহ কৰি পোৱা ৰাজহ চৰকাৰে আৰ্থিকভাৱে দুৰ্বল শ্ৰেণীৰ কল্যাণৰ হকে ব্যৱহাৰ কৰিব পাৰে ।

মূল্যায়ন



1 | মুদ্রাৰ এটা মুখ্য কার্য্য উল্লেখ কৰা -



বিনিময় মাধ্যম

মূল্যায়ন



2 মুদ্রাৰ তাৰল্য গুণ বুলিলে কি বুজা -

মুদ্রাক যিকোনো সময়তে দ্রব্য বা ৰূপান্তৰ কৰিব পৰা গুণ হৈছে তাৰল্য গুণ।